# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-11-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হ'ব। এইবাৰৰ অধিৱেশনত ১০ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। আজি বিগত অধিৱেশনৰ পাছত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

০০০০০০

সদৌ অসম মটক সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কালি ডিব্ৰুগড় জিলাৰ বকপাৰাত অনুষ্ঠিত হয়। এই সন্মিলনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মটক জনগোষ্ঠীৰ অৱদান অপৰিসীম বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়–

বাইট (সৰ্বানন্দ সোণোৱাল)

প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানত মটক জনগোষ্ঠীৰ কেইবাগৰাকীও নেতা আৰু ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ কমেও ৭ খন জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে ব্যাপক ৰূপ ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে জিলা কেইখনত গাহৰী সৰবৰাহ আৰু ক্ৰয় বিক্ৰী নিষিদ্ধ কৰাৰ লগতে সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। বিশ্বনাথ জিলাৰ পশু পালন আৰু পশু চিকিৎসা বিভাগ তথা বিশ্বনাথ জিলা প্ৰশাসনে এই ৰোগ

নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। বিশ্বনাথ উন্নয়ন খণ্ডৰ অধীনৰ উত্তৰ মৰল গাওঁ এই ৰোগৰ সংক্ৰমনৰ কেন্দ্ৰ হিচাপে চিনাক্ত হোৱাৰ পাছতে সকলো গাহৰী পালকক সতৰ্ক কৰি দিয়া হৈছে। উত্তৰ মৰল গাওঁৰ নিৰ্দিষ্ট গাহৰী পামখনক কেন্দ্ৰ  হিচাপে লৈ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাসমূহক সংক্ৰমিত এলেকা আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাসমূহক পৰ্যাবেক্ষণ এলেকা হিচাপে চিহ্নিত কৰা হৈছে। এই নিৰ্দেশ পৰৱৰ্তী ৩০ দিন অথবা পুনৰ নিৰ্দেশনা জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্যত চলিত বছৰৰ মাৰ্চৰ পৰা এই পৰ্যন্ত বিভাগীয়ভাৱে প্ৰায় ১৬ হাজাৰ গাহৰি নিধন কৰা হৈছে। পশুপালন বিভাগে এই গাহৰি পালকসকলক ক্ষতিপূৰণ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৬ কোটি টকা বিচাৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা কৰি প্ৰকৃত জনজাতিসকলৰ সাংবিধানিক সুৰক্ষাৰ দাবীত কালি শিৱসাগৰ জিলাৰ দিচাংমুখত টি এম পি কে, এম এম কে আৰু টি এম এম কে-ৰ দিচাংমুখ, শিৱসাগৰ নগৰ, দিখৌমুখ আৰু কৈৱৰ্ত দলনী আঞ্চলিক সমিতিৰ উদ্যোগত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

প্ৰতিবাদকাৰীসকলে কালি সন্ধিয়া দিচাংমুখৰ প্ৰয়াত ছাত্ৰনেতা অনিল পাংগিং সোঁৱৰণী ভৱনৰ পৰা জোঁৰ সমদল কৰি দিচাংমুখ খেলপথাৰত সমবেত হৈ জনজাতি সকলৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীত বিভিন্ন শ্ল'গানেৰে চৰকাৰৰ প্ৰতি আহ্বান জনায়। ৫ শতাধিক লোকে অংশগ্ৰহণ কৰা এই জোঁৰ সমদল কাৰ্যসূচীত মিচিং জনজাতিৰ কেইবাগৰাকী স্থানীয় নেতায়ো ভাগ লয়। এই কাৰ্যসূচীৰ পূৰ্বে শিৱসাগৰ জিলা প্ৰশাসনৰ আহ্বানত মিচিং জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বৰ মাজত এখন সৌহাৰ্দপূৰ্ণ আলোচনাও অনুষ্ঠিত হয়।

০০০০০০

অসম মন্ত্ৰীসভাই ভৈয়ামৰ কাৰ্বিসকলৰ বাবে এখন উন্নয়ন পৰিষদ গঠন কৰিবলৈ লোৱা প্ৰস্তাৱক কাৰ্বি আংলং জিলাৰ ছটা প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ নেতৃবৰ্গই আদৰণি জনাইছে। কালি ডিফুত এখন সংবাদমেলত এই নেতাসকলে অসম চৰকাৰৰ এই সিদ্ধান্তৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে লগতে শান্তি চুক্তিৰ নিৰ্দিষ্ট দফা অনুসৰি ভৈয়ামৰ কাৰ্বিসকলক ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰাৰ দাবীও শীঘ্ৰে পূৰণ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁলোকে কয়, যে ছটা বিদ্ৰোহী সংগঠনৰ সৈতে হোৱা শান্তি চুক্তিৰ ৮০ শতাংশ ইতিমধ্যে পূৰণ হৈছে আৰু ২০ শতাংশ পৰৱৰ্তী চৰকাৰ গঠন হোৱাৰ পূৰ্বে পূৰণ হ'ব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**